**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2026
**Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

0000000

১। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী মোদীৰ এই ২৫ বছৰীয়া কাৰ্যকালত দেশৰ গণতন্ত্ৰৰ শক্তি বুলি অভিহিত কৰিছে।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই সংহত পৰিবহন আৰু সৰবৰাহ প্ৰাধিকৰণ গঠনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

৩। বেলজিয়ামত জন্মগ্ৰহণ কৰা বিজ্ঞানী ফ্ৰান্সিচ হাল্‌জেনলৈ ২০২৬ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

৪। ৰাছিয়াৰ প্ৰতিৰক্ষা ব্যৱস্থাই যোৱা নিশা ৰাছিয়া অধিকৃত ক্ৰিমিয়া উপদ্বীপ আৰু আজ'ভ সাগৰকে ধৰি কেইবাটাও অঞ্চলত ৯০০খন ইউক্ৰেনৰ ড্ৰোণ ধ্বংস কৰিছে।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি প্ৰধানমন্ত্ৰীগৰাকীক শুভেচ্ছা জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখযোগ্য যে শ্ৰীমোদীয়ে ২০০১ চনৰ ৭ অক্টোবৰত প্ৰথম বাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত হৈছিল। পৰৱৰ্তী পৰ্যায়ত তেওঁ ২০১৪ চনত দেশৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হয়। কাইলৈ শ্ৰীমোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ কৰিব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰধানমন্ত্ৰী মোদীৰ এই ২৫ বছৰীয়া কাৰ্যকালত দেশৰ গণতন্ত্ৰৰ শক্তি বুলি অভিহিত কৰিছে। তেওঁ কয় যে এটা সাধাৰণ পৰিয়ালৰ পৰা অহা শ্ৰীমোদীয়ে ৰাষ্ট্ৰৰ কল্যাণৰ বাবে নিজকে সমৰ্পিত কৰাটো গণতন্ত্ৰৰ সজীৱতা আৰু পৰিপক্কতাৰ উদাহৰণ। শ্ৰীবৈষ্ণৱে লগতে কয় যে ২৫ বছৰৰ বাবে চৰকাৰৰ মুৰব্বী হিচাপে নিৰ্বাচিত হৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে যিকোনো গণতান্ত্ৰিক দেশৰ ভিতৰতে ইতিহাস ৰচনা কৰিছে। বিশ্বত বহু কম দেশ আছে, য'ত জনসাধাৰণে এজন ব্যক্তিকে দীৰ্ঘদিনৰ বাবে নিজৰ নেতা নিৰ্বাচন কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ কাম কৰাৰ স্পৃহা, সততা তথা স্পষ্ট চিন্তাধাৰাৰ বাবে তেওঁক জনসাধাৰণে নিৰ্বাচন কৰিছে।

**বাইট**

স্পষ্ট উদ্দেশ্য আৰু স্পষ্ট নীতিৰে ভাৰতীয় জনতা পাৰ্টী তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱা, ৰাষ্ট্ৰসেৱা আৰু ৰাষ্ট্ৰ প্ৰথম নীতি অনুসৰণ কৰি কাম কৰি আহিছে। শ্ৰীবৈষ্ণৱে লগতে কেবিনেটৰ এই প্ৰস্তাৱৰ ১০টা গুৰুত্বপূৰ্ণ বিষয় লৈ আলোকপাত কৰে। ইয়াৰ প্ৰথমটো বিষয় হৈছে গুজৰাটৰ পৰা সমগ্ৰ দেশলৈ উন্নয়নৰ দৃষ্টিভংগীৰ সম্প্ৰসাৰণ কৰা। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাম আৰু

নীতিৰ জৰিয়তে গুজৰাটত কেইবাটাও পৰিৱৰ্তন সাধন কৰিছিল, যাৰ বাবে তেওঁক সমগ্ৰ বিশ্বতে সন্মান জনোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই সংহত পৰিবহন আৰু সৰবৰাহ প্ৰাধিকৰণ গঠনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত আজি নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ইয়াৰ দ্বাৰা সমগ্ৰ পৰিবহন আৰু সৰবৰাহ খণ্ডত গৱেষণা, পৰিকল্পনা, মূল্যায়ন আৰু নিৰীক্ষণ শক্তিশালী হ'ব। তেওঁ লগতে কয় যে এই প্ৰাধিকৰণে দেশত সংহত পৰিবহন আৰু সৰবৰাহ পৰিকল্পনাৰ বাবে শীৰ্ষ সংস্থা হিচাপে কাম কৰে। দেশৰ জিডিপি প্ৰায় ৭ৰ পৰা ৮ শতাংশ হাৰত বৃদ্ধি পোৱাৰ লগে লগে সৰবৰাহৰ চাহিদাও ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই ক্ৰমবৰ্ধমান চাহিদা পূৰণৰ বাবে সমগ্ৰ দেশতে কেইবাটাও ঘাইপথ, ৰে'লপথ, জলপথ, বিমান বন্দৰ আৰু নতুন বন্দৰ গঢ়ি তোলা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

বাইট (লজিষ্টিক)

কেন্দ্ৰীয় মন্ত্ৰীসভাই ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত বিনিয়োগৰ বাবে ১০ হাজাৰ কোটি টকাৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ বৃদ্ধি পুঁজি স্থাপনৰ বাবেও অনুমোদন জনাইছে। শ্ৰীবৈষ্ণৱে কয় যে এই পুঁজিয়ে ব্যৱসায়িক কাৰ্যক্ষমতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত এই উদ্যোগসমূহক মূলধন প্ৰদান কৰিব। ইয়াৰ উপৰি এই পুঁজিয়ে সেৱা, প্ৰযুক্তি, উদ্ভাৱন আৰু কৌশলগত শৃংখলৰ উদ্যোগসমূহক সহায় কৰিব।

০০০০০০০

বেলজিয়ামত জন্মগ্ৰহণ কৰা বিজ্ঞানী ফ্ৰান্সিচ হাল্‌জেনলৈ ২০২৬ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নৱেল বঁটা আগবঢ়োৱা হৈছে। আইচ কিউব নামৰ মৌলিক কণা নিৰীক্ষণৰ মান মন্দিৰৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান আৰু জ্যোতি পদাৰ্থবৈজ্ঞানীক উৎসৰ পৰা নিৰ্গত উচ্চ শক্তিসম্পন্ন মৌলিক কণাৰ আৱিষ্কাৰৰ বাবে বিজ্ঞানীগৰাকীক নৱেল  বঁটাৰ বাবে বাচনি কৰা হৈছে। ৮২ বছৰীয়া ফ্ৰান্সিছ হাল্‌জেনৰ নেতৃত্বত এটা আন্তঃৰাষ্ট্ৰীয় দলে দক্ষিণ মেৰুত নিউট্ৰিন'ৰ উপস্থিতি ধৰা পেলোৱাৰ বাবে আইচ কিউব নামৰ ডিটেকটৰ বিকশাই তুলিছে। ইয়াৰ ফলত ব্ৰহ্মাণ্ডৰ অধ্যয়নৰ নতুন পথ মুকলি হৈছে। নিউট্ৰিন' নামৰ মৌলিক কণাসমূহ অতি ক্ষুদ্ৰ আৰু প্ৰায় ভৰহীন। এই কণাসমূহ তৰা আৰু অন্য মহাজাগতিক পৰিঘটনাৰ পৰা উৎপন্ন হয়। ৰয়েল চুইডিছ একাডেমী অৱ ছায়েন্সে ষ্ট'কহমত এই পুৰস্কাৰ ঘোষণা কৰে। এই পুৰস্কাৰত প্ৰায় ১২ লাখ মাৰ্কিন ডলাৰ প্ৰদান কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে।

এই অভিযানৰ সৈতে সংগতি ৰাখি প্ৰচাৰ কৰি অহা আমাৰ প্ৰতিবেদনত আজি ইউ পি আই ব্যৱস্থাৰ জৰিয়তে প্ৰধানমন্ত্ৰীগৰাকীৰ দৃষ্টিভংগীক কিদৰে আগুৱাই লৈ যোৱা হৈছে তাৰ উদাহৰণ দিয়া হৈছে। ভাৰতৰ ডিজিটেল পেমেণ্ট ব্যৱস্থাত উল্লেখযোগ্য পৰিৱৰ্তন আহিছে। এই ব্যৱস্থাই এতিয়া প্ৰতিজন নাগৰিকৰ বাবে

সুলভ, সৰল আৰু সুৰক্ষিত পৰিশোধ ব্যৱস্থা হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে অলপতে বিশ্ব বিত্ত প্ৰযুক্তি মহোৎসৱত ইউ পি আই ব্যৱস্থাৰ বিষয়ে মন্তব্য কৰি কয় যে ইউ পি আই এতিয়া কেৱল দেশৰ চাৰিসীমাৰ ভিতৰতেই সীমাবদ্ধ নহয়। তেওঁ কয় যে কিছু বছৰ আগলৈ ভাৰতীয় বেংক একাউণ্টৰ পৰা বিদেশলৈ পোনপটীয়াকৈ ধন আদায় দিয়াটো অসম্ভৱ বুলি গণ্য কৰা হৈছিল, যদিও সম্প্ৰতি এয়া বাস্তৱ হৈ উঠিছে।

বাইট (মোদী)

২০১৬ চনৰ ২৫ আগষ্টত ইউ পি আই ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল আৰু মাত্ৰ এটা দশকৰ ভিতৰতে এই ব্যৱস্থাই দেশত ডিজিটেল ধনাদায়ৰ পৰিসৰৰ আমূল পৰিৱৰ্তন সাধন কৰিছে। এই ব্যৱস্থা সম্প্ৰতি সকলোৰে বাবে দ্ৰুত, সৰল আৰু সুলভ হৈ উঠিছে।

০০০০০০০

ৰাছিয়াৰ প্ৰতিৰক্ষা ব্যৱস্থাই যোৱা নিশা ৰাছিয়া অধিকৃত ক্ৰিমিয়া উপদ্বীপ আৰু আজ'ভ সাগৰকে ধৰি কেইবাটাও অঞ্চলত ৯০০খন ইউক্ৰেনৰ ড্ৰোণ ধ্বংস কৰিছে। মস্কোৰ মেয়ৰ ছেৰগেই ছ'বিয়ানে প্ৰকাশ কৰা অনুসৰি যোৱা নিশা মস্কোলৈ লক্ষ্য কৰি ৬৫০খন ড্ৰোণ প্ৰেৰণ কৰা হৈছিল। তাৰ ভিতৰত ১০৫খন ড্ৰোণ ৰাছিয়াৰ ৰাজধানীৰ সমীপত ধ্বংস কৰা হৈছিল। মেয়ৰগৰাকীয়ে লগতে কয় যে কালি দিনৰ ভাগতো ৬৮খন ড্ৰোণ ধ্বংস কৰা হৈছিল।

০০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ধাৰাবাহিকভাৱে দেশৰ নিৰ্বাচন আয়োগ তথা অন্যান্য সাংবিধানিক সংস্থাসমূহক আক্ৰমণ কৰা বিষয়ত কংগ্ৰেছ নেতাজনক সমালোচনা কৰিছে। আজি নতুন দিল্লীত সাংবাদিকসকলক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজনৈতিক দলসমূহে জনতাৰ ৰায়ক সন্মান জনাব লাগে। তেওঁ লগতে কয় যে কংগ্ৰেছ দলে জনতাৰ সমৰ্থন আদায় কৰিব নোৱাৰিলে সাংবিধানিক সংস্থাসমূহক আক্ৰমণৰ লক্ষ্য কৰি লয়।

বিজেপিৰ মুখপাত্ৰ প্ৰদীপ ভাণ্ডাৰিয়েও কংগ্ৰেছ দলে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা ভিডিঅ' প্ৰকাশ কৰি ভুল তথ্য প্ৰচাৰ কৰা বুলি অভিযোগ উত্থাপন কৰে। শ্ৰীভাণ্ডাৰিয়ে লগতে কংগ্ৰেছ দলক দেশৰ গণতন্ত্ৰৰ বাবে বৃহৎ ভাবুকি বুলি অভিহিত কৰে।

০০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হৈছে। খেলখনত টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে। সদ্যসমাপ্ত এছিয়ান গেমছত সোণৰ পদক অৰ্জন কৰা আৰু ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে এদিনীয়া শৃংখলাত ২-১ ফলাফলেৰে জয় লাভ কৰা ভাৰতীয় দলে আজিৰ খেলখনত জয়লাভ কৰি জয়ৰ ধাৰা অব্যাহত ৰখাৰ বাবে চেষ্টা চলাব।

০০০০০০০

সমাপ্ত